**ইউনিয়ন অৱ ইণ্ডিয়া আৰু আনএজন**

**বনাম**

**শিৰোমনী গুৰদ্বাৰা প্ৰবন্ধক কমিটি আৰু অন্যান্য**

**৫আগষ্ট, ১৯৮৬**

[ন্যায়াধীশ সব্যসাচী মুখাৰ্জী আৰু ন্যায়াধীশ কে. এন. সিং]

*গোচৰ হস্তান্তৰ- ন্যায়ত উপনীত হোৱাৰ বাবে গোচৰ হস্তান্তৰ কৰাৰ উচ্চতম ন্যায়ালয়ৰ ক্ষমতা- বিভিন্ন গুৰদ্বাৰাৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ ক্ষতিসাধনৰ বাবে ১,০০০ কোটি টকাৰ ক্ষতিপূৰণ দাবী কৰা গোচৰটো হস্তান্তৰৰ বাবে উপযুক্ত গোচৰ নেকি- দেৱানী প্ৰক্ৰিয়া সংহিতাৰ ২৫ নং ধাৰা, ব্যাখ্যা কৰা হৈছে।*

১৯২৫চনৰ পঞ্জাৱ শিখ গুৰদ্বাৰা আইনৰ অধীনত ৮৪-ৰ জুনৰ পৰা ছেপ্টেম্বৰলৈকে উত্তৰদাতা ১-ৰ দ্বাৰা পৰিচালিত আৰু পৰিচালনা কৰা বিভিন্ন গুৰদ্বাৰাৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ ক্ষতিৰ বাবে আবেদনকাৰীৰ পৰা ১,০০০ কোটি টকাৰ দাবী কৰি আবেদনকাৰী/বিবাদীৰ বিৰুদ্ধে উত্তৰদাতা ১ আৰু ২-য়ে গোচৰ ৰুজু কৰিছিল। তেওঁলোকে লগতে আবেদনকাৰী আৰু তেওঁলোকৰ প্ৰধান কৰ্মচাৰীসকলক মানসিক, আৱেগিক, সামাজিক আৰু আধ্যাত্মিক আঘাতৰ সৃষ্টি কৰাৰ বাবে আৰু লগতে আইন মানি চলা শিখ নাগৰিকসকলৰ সন্মান আৰু আত্মসন্মানত গভীৰ আঘাত কৰাৰ বাবে শিখ সংগতৰ আগত ক্ষমা প্ৰাৰ্থনা কৰিবলৈ নিৰ্দেশ দিয়া বাধ্যতামূলক নিষেধাজ্ঞা বিচাৰিছিল। ইয়াৰ উপৰিও, দেৱানী প্ৰক্ৰিয়া বিধিৰ আদেশ ৩৩, ৰুল ১ আৰু ২ৰ অধীনত দৰিদ্ৰ ব্যক্তি হিচাপে গোচৰ ৰুজু কৰিবলৈ এক আবেদন দাখিল কৰা হৈছিল।

অভিযোগটোত অভিযোগ কৰা হৈছিল যে, ১৯৮৪চনৰ ৩জুন তাৰিখে শ্ৰী গুৰু-অৰ্জুন দেৱজীৰ শ্বহীদ দিৱসত যেতিয়া উক্ত অনুষ্ঠানটো স্মৰণ কৰিবলৈ অমৃতসৰৰ স্বৰ্ণমন্দিৰ পৰিসৰলৈ বৃহৎ সংখ্যক ভক্ত আহিছিল তেতিয়া, আবেদনকাৰীৰ অধীনত থকা সশস্ত্ৰ বাহিনীৰ বিভিন্ন গোটৰ লগতে আবেদনকাৰীৰ নিযুক্তিৰ অধীনত থকা আৰক্ষী গোট আৰু পঞ্জাৱ চৰকাৰে বিদ্বেষপূৰ্ণভাৱে স্বৰ্ণ মন্দিৰ পৰিসৰত নিৰৱচ্ছিন্ন গুলীচালনা কৰি আক্ৰমণ আৰম্ভ কৰিছিল। আবেদনকাৰীসকলৰ প্ৰতিৰক্ষা আছিল যে, ই ৰাষ্ট্ৰৰ নিৰাপত্তা আৰু অখণ্ডতাৰ বাবে প্ৰয়োজনীয় এক ৰাষ্ট্ৰীয় আইন আছিল আৰু গ্ৰহণ কৰা পদক্ষেপটো সাৰ্বভৌম কাৰ্যৰ ক্ষেত্ৰত সাৰ্বভৌম ক্ষমতাৰ অনুশীলন আছিল। আবেদনকাৰীসকলে সাধাৰণতে পঞ্জাৱ ৰাজ্য আৰু বিশেষকৈ অমৃতসৰত প্ৰচলিত অসাধাৰণ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেৱানী প্ৰক্ৰিয়া বিধিৰ ২৫নং ধাৰাৰ অধীনত বৰ্তমানৰ স্থানান্তৰ আবেদনখন উত্থাপন কৰিছিল, য'ত উল্লেখ কৰা হৈছিল যে, অমৃতসৰ বা পঞ্জাৱৰ আন অংশত গোচৰটোৰ নিৰপেক্ষ বিচাৰ অনুষ্ঠিত কৰাটো সম্ভৱ নহয় কিয়নো গোচৰটো এক অস্বাভাৱিক আৰু পঞ্জাৱত এক জটিল সময়ত ৰুজু কৰা হৈছে। প্ৰশ্নটো হ'ল- ন্যায়ৰ লক্ষ্যত গোচৰটো পঞ্জাৱ ৰাজ্যৰ পৰা আন ৰাজ্যলৈ স্থানান্তৰ কৰাৰ প্ৰয়োজনীয়তা আছে নেকি।

আবেদনখন গ্ৰহণ কৰাৰ অনুমতি প্ৰদান কৰি আদালতে,

উপস্থাপন কৰে, ১. এখন গোচৰ বা কাৰ্য্যপ্ৰক্ৰিয়া এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ স্থানান্তৰ কৰাৰ উচ্চতম ন্যায়ালয়ৰ ক্ষমতা হৈছে, এনে এক ক্ষমতা যি সাৱধানতা আৰু সতৰ্কতাৰে ব্যৱহাৰ কৰিব লাগে কিন্তু, যদি ন্যায়ৰ উদ্দেশ্যই এনে এক উপযুক্ত গোচৰ দাবী কৰে, তেন্তে আদালতে কাম কৰিবলৈ দ্বিধা কৰিব নালাগে। আইন প্ৰশাসনৰ সৰ্বোচ্চ নীতিৰ ভিতৰৰ এটা এইয়ে যে, ন্যায় কেৱল কৰাটোৱেই নহয়, কিন্তু কৰা হোৱা দেখা যাব লাগে। [৪৭৬ডি- ই; চি]

২. এইক্ষেত্ৰত, কিছুমান সংযোজিত উত্তৰদাতাৰ সন্দৰ্ভত থকা অভিযোগসমূহৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি সম্প্ৰদায়ৰ কিছুমান শ্ৰেণীত শক্তিশালী প্ৰচাৰ উত্থাপন হোৱাৰ সম্ভাৱনা আছে। এনে পৰিৱেশত ন্যায়ৰ লক্ষ্য পূৰণ কৰিবলৈ গোচৰটো এক শান্ত পৰিৱেশলৈ স্থানান্তৰ কৰাটো বাঞ্ছনীয় হ'ব। ন্যায় এনেদৰে কৰা হ'ব। পঞ্জাৱত কোনো অসাধাৰণ পৰিৱেশ নাই বুলি ধাৰণা কৰিলে অবাস্তৱতা হ'ব। গোচৰটো অস্বাভাৱিক আৰু সংবেদনশীল আৰু এই সময় অতি জটিল। সেয়েহে, উচ্চতম ন্যায়ালয়ে ন্যায়ৰ লক্ষ্য পূৰণ কৰিবলৈ গোচৰটো পঞ্জাৱ ৰাজ্যৰ বাহিৰলৈ স্থানান্তৰ কৰি কাম কৰা উচিত। এইটো এইক্ষেত্ৰত অৱশ্যেই প্ৰয়োজনীয়। [৪৭৬ডি-এফ]

*জি. এক্স. ফ্ৰান্সিছ এণ্ড অন্যান্য বনাম বাংকে বিহাৰী সিং এণ্ড আনএজন,* এ. আই. আৰ. ১৯৫৮ এছ. চি. ৩০৯; *হাজাৰা সিং গিল বনাম পঞ্জাৱ ৰাজ্য,* [১৯৬৪] (৪) এছ.চি.আৰ. ১; আৰু *অসম ৰাজ্য বনাম অতুল ভহৰা,* স্থানান্তৰ আবেদন নং ২১/৮০ উল্লেখ কৰা হৈছে।

(আদালতে গোচৰটো দিল্লী উচ্চ ন্যায়ালয়লৈ স্থানান্তৰ কৰি এই গোচৰৰ আৰম্ভণি হোৱা এজন বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা বিচাৰ কৰিবলৈ নিৰ্দেশ দিছিল।) [৪৭৭ডি]

দেৱানী মৌলিক ক্ষেত্ৰাধিকাৰ- ১৯৮৬চনৰ ২১২নং স্থানান্তৰ আবেদন।

১৯০৮চনৰ দেৱানী প্ৰক্ৰিয়া সংহিতাৰ ২৫নেং ধাৰাৰ অধীনত।

আবেদনকাৰীপক্ষত চোলিচিটৰ জেনেৰেল- এম. কে. বেনাৰ্জী, এ. কে. গাঙ্গুলী, আৰ. ডি. আগৰৱালা আৰু শ্ৰীমতী সুষমা ৰেলহান।

উত্তৰদাতাৰপক্ষত হৰদেৱ সিং, এছ. এছ. ছুড, বিষম্বৰ লাল আৰু আৰ. এছ. সোধি।

আদালতৰ ৰায় প্ৰদান কৰিছিল-

**ন্যায়াধীশ সব্যসাচী মুখাৰ্জী**, এইখন হৈছে- ভাৰত চৰকাৰৰ দ্বাৰা দাখিল কৰা দেৱানী প্ৰক্ৰিয়া বিধিৰ ২৫নং ধাৰাৰ অধীনত স্থানান্তৰৰ বাবে কৰা এক আবেদন য'ত উত্তৰদাতা নং ১ আৰু ২ অৰ্থাৎ শিৰোমনী গুৰদ্বাৰা প্ৰবন্ধক সমিতি, অমৃতসৰ আৰু শিৰোমনী গুৰদ্বাৰা প্ৰবন্ধক সমিতি, অমৃতসৰৰ সভাপতি চৰ্দাৰ গুৰচাৰণ সিং টোহৰাৰ দ্বাৰা অমৃতসৰৰ Court of Senior Sub Judge(জ্যেষ্ঠ উপ ন্যায়াধীশ আদালত)ত আৰম্ভ কৰা গোচৰ স্থানান্তৰ কৰিবলৈ অনুৰোধ কৰা হৈছিল। গোচৰটোত দাবী কৰা হৈছে যে, ১৯৮৪চনৰ জুনৰ পৰা ছেপ্টেম্বৰ মাহৰ সময়ছোৱাত পঞ্জাৱ শিখ গুৰদ্বাৰা আইন, ১৯২৫-ৰ বিধান অনুসৰি বাদী নং ১-ৰ দ্বাৰা পৰিচালিত আৰু পৰিচালনা কৰা বিভিন্ন গুৰদ্বাৰাৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ ক্ষতিৰ বাবে বিবাদী, তেওঁলোকৰ চাকৰিয়াল, কৰ্মচাৰী আৰু এজেণ্টসকলে পঞ্জাব ৰাজ্যৰ অমৃতসৰৰ স্বৰ্ণ মন্দিৰৰ গুৰদ্বাৰা আৰু অন্যান্য গুৰদ্বাৰাত বিবাদীসকলৰ বিভিন্ন সশস্ত্ৰ কৰ্মচাৰী আৰু চাকৰিয়াল দ্বাৰা ইচ্ছাকৃত, অপ্ৰেৰিত, অপ্ৰয়োজনীয়, অঘোষিত, অবাঞ্ছিত আৰু বিধ্বংসী আক্ৰমণ কৰিছিল। ইয়াৰ উপৰিও মানসিক, আৰেগিক, সামাজিক আৰু আধ্যাত্মিক বিপৰ্যয়ৰ সৃষ্টি কৰাৰ বাবে আৰু লগতে আইন মানি চলা নাগৰিক শিখসকলৰ সন্মান আৰু আত্মসন্মান হানি কৰিবলৈ বিবাদী আৰু তেওঁলোকৰ প্ৰধান কাৰ্যকৰ্তাসকলক শিখ সংগতৰ আগত ক্ষমা প্ৰাৰ্থনা কৰিবলৈ নিৰ্দেশ দিয়া বাধ্যতামূলক নিষেধাজ্ঞা বিচাৰিছিল। ইয়াৰ উপৰিও দেৱানী প্ৰক্ৰিয়া বিধিৰ ৩৩নং নিয়ম ১ আৰু ২ৰ অধীনত আদালতৰ অনুমতিৰ বাবে আবেদনকাৰী আৰু ইয়াত ৩নং উত্তৰদাতাৰ বিৰুদ্ধে দৰিদ্ৰ ব্যক্তি হিচাপে গোচৰ ৰুজু কৰিবলৈ এক আবেদন দাখিল কৰা হৈছিল।

চমন লাভ কৰাৰ পিছত, ভাৰত সংঘই উত্তৰদাতা নং ১ আৰু ২-ৰ দ্বাৰা প্ৰস্তুত কৰা অৰ্দাৰ ৩৩ ৰুল ১ আৰু ২-ৰ অধীনত আবেদনৰ বিৰোধিতা কৰি এক আবেদন দাখিল কৰিছিল আৰু লগতে অভিযোগ কৰিছিল যে, আবেদনকাৰীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কোনো কাৰণ প্ৰকাশ কৰা নাই। এক সংশোধনী আবেদন আছিল, যি ভাৰত চৰকাৰৰ বিৰোধিতা সত্বেও অনুমতি দিয়া হৈছিল আৰু উত্তৰদাতাৰ ৪ৰ পৰা ৩৭নং-ৰ সংযোজন কৰা হৈছিল, বৰ্তমানৰ সেনা প্ৰধানকে ধৰি তেওঁলোকৰ মাজৰ কিছুমান মন্ত্ৰী, বিষয়া আৰু সশস্ত্ৰ বাহিনীৰ সদস্য ১৯৮৪চনৰ জুন মাহৰ পৰা ১৯৮৪চনৰ ছেপ্টেম্বৰ মাহলৈকে কাৰ্য্যকৰী- 'অপাৰেচন ব্লু ষ্টাৰ'-ত অংশগ্ৰহণ কৰাৰ বাবে। গোচৰটোত কৰা সকলো অভিযোগ বিশদভাৱে উল্লেখ কৰাৰ প্ৰয়োজন নাই। আবেদনত অভিযোগ কৰা হৈছে যে, শিৰোমনী গুৰদ্বাৰা প্ৰবন্ধক সমিতি হৈছে- পঞ্জাব শিখ গুৰুদ্বাৰা আইন, ১৯২৫ৰ ব্যৱস্থাৰ অধীনত প্ৰতিষ্ঠা কৰা এক বিধিবদ্ধ সংস্থা, যাৰ উদ্দেশ্য হৈছে- প্ৰশাসন আৰু শিখ গুৰুদ্বাৰৰ কাম-কাজ আৰু সম্পত্তি পৰিচালনা আৰু চোৱাচিতা কৰা। ১৯৮৪চনৰ ৩জুন তাৰিখে শ্ৰী গুৰু অৰ্জুন দেৱজীৰ শ্বহীদ দিৱসৰ দিনা অমৃতসৰৰ স্বৰ্ণমন্দিৰ পৰিক্ষেত্ৰলৈ বৃহৎ সংখ্যক ভক্ত অহাৰ সময়ত, ভাৰত চৰকাৰ আৰু পঞ্জাৱ চৰকাৰৰ অধীনত নিযুক্ত ভাৰতীয় সশস্ত্ৰ বাহিনীৰ বিভিন্ন গোটৰ লগতে ভাৰত চৰকাৰৰ নিযুক্ত আৰক্ষী গোটসমূহে স্বৰ্ণমন্দিৰ পৰিসৰত নিৰৱচ্ছিন্ন গুলীবৰ্ষণ কৰি আক্ৰমণ কৰিছিল বুলি অভিযোগ উত্থাপন কৰা হৈছে। এইটোও বিদ্বেষপূৰ্ণভাৱে কৰা হৈছিল বুলি অভিযোগ উত্থাপন কৰা হৈছিল। আবেদনত উল্লিখিত অনুসৰি ভাৰত সংঘৰ প্ৰতিৰক্ষা হৈছে- ই ৰাজ্যখনৰ নিৰাপত্তা আৰু অখণ্ডতাৰ বাবে প্ৰয়োজনীয় ৰাষ্ট্ৰৰ এক কাৰ্য আছিল। দাবী কৰা হৈছে যে, গ্ৰহণ কৰা পদক্ষেপটো সাৰ্বভৌম কাৰ্যৰ ক্ষেত্ৰত সাৰ্বভৌম ক্ষমতাৰ এক অনুশীলন আছিল।

নিঃসন্দেহে, পঞ্জাৱৰ এক জটিল সময়ত এইটো এক অস্বাভাৱিক গোচৰ। স্থানান্তৰ আবেদনৰ আধাৰ হৈছে যে, সাধাৰণতে পঞ্জাৱ ৰাজ্যত আৰু বিশেষকৈ অমৃতসৰত এই প্ৰকাৰৰ গোচৰৰ বিচাৰৰ বাবে এক অসাধাৰণ পৰিস্থিতি বিদ্যমান। বিভিন্ন সম্প্ৰদায়ৰ লগতে একেটা সম্প্ৰদায়ৰ বিভিন্ন শ্ৰেণীৰ মাজত সাম্প্ৰদায়িক উত্তেজনাৰ সৃষ্টি হৈছে। স্বৰ্ণমন্দিৰৰ সৈতে জড়িত যিকোনো বস্তু এক অত্যন্ত সংবেদনশীল বিষয়। সেয়েহে, এইটো কোৱা হৈছে যে অমৃতসৰ বা পঞ্জাৱৰ আন অংশত গোচৰটোৰ উপযুক্ত বিচাৰ অনুষ্ঠিত কৰাটো সম্ভৱ নহয় আৰু গোচৰটো শান্ত আৰু নিখুঁত পৰিৱেশত বিচাৰ কৰাটো প্ৰয়োজনীয়।

আমি অভিযোগসমূহৰ প্ৰকৃতি লক্ষ্য কৰিছো আৰু পক্ষসমূহৰ পৰা বিদ্বান পৰামৰ্শ বিচাৰিছো, য'ত উত্তৰদাতাসকলৰ হৈ দাখিল কৰা হৈছে যে পঞ্জাৱ ৰাজ্যত কোনো সাম্প্ৰদায়িক উত্তেজনা নাছিল আৰু পঞ্জাৱত ন্যায়িক প্ৰশাসনে স্বাভাৱিকভাৱে কাম কৰি আছে আৰু পঞ্জাৱত ন্যায়ৰ লক্ষ্য পূৰণ কৰাটো সম্ভৱ হ'ব। এইটো সঁচা যে, পঞ্জাৱত ন্যায়িক প্ৰশাসনে সাধাৰণতে কাম কৰি আছে আৰু পঞ্জাৱৰ ন্যায়পালিকাই ন্যায় প্ৰদান কৰিব নোৱাৰে বুলি যুক্তিসংগতভাৱে অনুমান কৰিব নোৱাৰি, কিন্তু যি কোৱা হৈছে সেয়া হৈছে ভাৰত চৰকাৰৰ যুক্তিসংগত আশংকা আৰু উক্ত উত্তৰদাতাসকলে যোগ দিছিল যে অভিযোগৰ প্ৰকৃতি আৰু শিখ সম্প্ৰদায়ৰ কিছুমান শ্ৰেণীৰ অনুভূতিৰ ওপৰত ইয়াৰ পৰিণামৰ প্ৰতি লক্ষ্য ৰাখি ন্যায় প্ৰদান কৰা নহ'বও পাৰে। এইটো অস্বীকাৰ কৰিব নোৱাৰি যে, শিখ সম্প্ৰদায়ৰ কিছুলোকে ব্লু ষ্টাৰৰ কাৰ্য্যকলাপৰ ওপৰত অতি তীব্ৰভাৱে অনুভৱ কৰিছিল, এই গোচৰৰ বিচাৰ চলি থকাৰ সময়ত তেওঁলোকৰ অনুভূতিত আৰু অধিক আঘাত পোৱাটো বাধ্যতামূলক।

এই আদালতে *জি. এক্স. ফ্ৰান্সিছ এণ্ড অন্যান্য বনাম বাংকে বিহাৰী সিং এণ্ড আনএজন* এ.আই.আৰ. ১৯৫৮ এচ.ছি. ৩০৯- গোচৰটোৰ এই দিশটো বিবেচনা কৰাৰ সুযোগ পাইছিল, য'ত মধ্য প্ৰদেশৰ পৰা স্থানান্তৰ কৰা হৈছিল। ন্যায়াধীশ ভিভিয়ান বসুৱে পৰ্যবেক্ষণ কৰিছিল যে, সাম্প্ৰদায়িক অনুভূতিৰ তিক্ততা আৰু পৰিৱেশৰ তিক্ততাৰ বাবে অঞ্চলটোৰ পৰা স্থানান্তৰ কৰাৰ ভিত্তি আছে। এইটো পুনৰ দোহাৰা হৈছিল যে, এনে পৰিৱেশত অনুষ্ঠিত বিচাৰৰ নিৰপেক্ষতাৰ ওপৰত জনসাধাৰণৰ আস্থা গুৰুতৰভাৱে হ্ৰাস হ'ব, বিশেষকৈ সম্প্ৰদায়ৰ একাংশৰ মাজত, আৰু এনে পৰিৱেশত ন্যায় প্ৰশাসন সম্ভৱ নহ'ব বুলি আশংকা আছিল।

*হাজাৰা সিং গিল বনাম পঞ্জাৱ ৰাজ্য,* [১৯৬৪] ৪ এছ. চি. আৰ. ১-ত ইয়াক পুনৰাবৃত্তি কৰা হৈছিল, য'ত ন্যায়াধীশ হিদায়াতুল্লাহই সেইসময়ৰ বিদ্বান মুখ্য ন্যায়াধীশ হিচাপে পৰ্যবেক্ষণ কৰে যে, প্ৰশ্নটো প্ৰকৃততে আছিল- আবেদনকাৰীগৰাকীক তেওঁ ন্যায় নাপাব বুলি যুক্তিসংগতভাৱে আশংকা কৰা বুলি ক'ব পাৰি নেকি। আইন প্ৰশাসনৰ সৰ্বোচ্চ নীতিবোৰৰ ভিতৰত এটা হ'ল- ন্যায় কেৱল কৰাই নহয়, কৰা হোৱা দেখা যায় লাগে। সেইক্ষেত্ৰত কিছুমান শক্তিশালী পক্ষই বিভিন্ন ধৰণে আবেদনকাৰীৰ বিৰোধিতা কৰিছিল বুলি দেখুৱাবলৈ যথেষ্ট অভিযোগ আছিল।

এইক্ষেত্ৰত, যোগ দিয়া কিছুমান উত্তৰদাতাক লৈ কৰা অভিযোগৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি, সম্প্ৰদায় কিছুমানৰ শ্ৰেণীত তীব্ৰ অনুভূতি জাগ্ৰত হোৱাৰ সম্ভাৱনা আছে। এনে পৰিৱেশত ন্যায়ৰ লক্ষ্য পূৰণ কৰিবলৈ গোচৰটো এক শান্ত আৰু সুস্থিৰ পৰিৱেশলৈ স্থানান্তৰ কৰাটো বাঞ্ছনীয় হ'ব। ন্যায় এনেদৰে কৰা হ'ব। এই আদালতৰ এটা গোচৰ বা কাৰ্য্যপ্ৰক্ৰিয়া এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ স্থানান্তৰ কৰাৰ ক্ষমতা হৈছে, এনে এক ক্ষমতা যাক সাৱধানতা আৰু সতৰ্কতাৰে ব্যৱহাৰ কৰিব লাগে কিন্তু, যদি ন্যায়ৰ উদ্দেশ্যই এনে এক উপযুক্ত গোচৰত দাবী

কৰে, তেন্তে এই আদালতে কাম কৰিবলৈ দ্বিধা কৰা উচিত নহয়। পঞ্জাৱত এক অস্বাভাৱিক পৰিৱেশ থকা কথাটো অস্বীকাৰ কৰিব নোৱাৰি। অন্যথা এই কাৰ্য্য কৰাটো এক অবাস্তৱতাৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা হ'ব। গোচৰটো অস্বাভাৱিক আৰু সংবেদনশীল আৰু সময়টো অতি জটিল। এই আদালতে ন্যায়ৰ লক্ষ্য পূৰণৰ বাবে গোচৰটো পঞ্জাৱ ৰাজ্যৰ বাহিৰলৈ স্থানান্তৰ কৰি কাম কৰা উচিত। এইকাৰ্য্য বৰ্তমান ক্ষেত্ৰত অতিকৈ আৱশ্যক।

*অসম ৰাজ্য বনাম অতুল ভহৰা*-ৰ গোচৰত এই আদালতৰ শেহতীয়া সিদ্ধান্তৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল- য'ত এই আদালতে গৌহাটী উচ্চ ন্যায়ালয়ৰ পৰা দিল্লী উচ্চ ন্যায়ালয়লৈ কিছুমান লেখ আবেদন স্থানান্তৰ কৰিছিল।

তাৎক্ষণিক গোচৰটোত উত্তৰদাতাসকলৰ হৈ কিছু দাখিল কৰা হৈছিল যে, আবেদনখন সঠিকভাৱে পৰীক্ষা কৰা হোৱা নাছিল। কিন্তু, বৰ্তমানৰ আবেদনখনৰ ৩ আৰু ১৫নং অনুচ্ছেদটো পঢ়ি আমি এই অভিমত পোষণ কৰিছো যে, এনে কিছুমান অভিযোগ আছে যিবোৰে এই প্ৰকাৰৰ গোচৰত ন্যায় প্ৰদান কৰা নহ’ব বুলি যুক্তিসংগত আশংকাৰ ভিত্তি গঢ়ি তুলিব পাৰে।

এই পৰিপ্ৰেক্ষিতত আমি মতপোষণ কৰো যে, ন্যায়ৰ স্বাৰ্থত এই গোচৰটো পঞ্জাৱ ৰাজ্যৰ বাহিৰত স্থানান্তৰ কৰা উচিত। এই গোচৰৰ বিচাৰ দিল্লীলৈ পঠিয়াবলৈ দিল্লী সুৰক্ষিত স্থান নহয় বুলি যুক্তি দিয়া হৈছে। দিল্লীত শেহতীয়াকৈ সংঘটিত হোৱা পৰিঘটনাৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰদাতা নং ১ আৰু ২ আৰু পঞ্জাৱ ৰাজ্য দুয়োক্ষেত্ৰতে যুক্তি দিয়া হৈছে যে, এই গোচৰৰ বিচাৰ বাবে ই সুৰক্ষিত স্থান নহয়। সকলো দিশ বিবেচনা কৰাৰ পিছত আমি এই মতপোষণ কৰো যে, এই গোচৰৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি আৰু বিবাদ আৰু বিৰোধৰ কথা বিবেচনা কৰাৰ পিছত আমি

এই মতপোষণ কৰো যে, এই গোচৰৰ বিচাৰ পঞ্জাৱ ৰাজ্যৰ বাহিৰত ন্যায়ৰ স্বাৰ্থত কৰা উচিত। আমি পুনৰ ক'ব পাৰো যে, এই আদেশক কোনো কাৰণতে পঞ্জাৱ চৰকাৰ বা পঞ্জাৱ চৰকাৰৰ পৰ্যায়ত ন্যায়পালিকাৰ স্বতন্ত্ৰতা আৰু নিৰপেক্ষতাৰ ওপৰত প্ৰতিফলন হিচাপে গণ্য কৰা নহ'ব।

গোচৰৰ প্ৰকৃতি আৰু পঞ্জাৱ ৰাজ্যত প্ৰচলিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আৰু বিকল্প মঞ্চৰ বিষয়ে সকলো পক্ষৰ দাখিলক বিবেচনা কৰি, আমি নিৰ্দেশ দিওঁ যে গোচৰটো পূৰ্বতে দিল্লী উচ্চ ন্যায়ালয়ৰ এজন বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা বিচাৰ কৰা হ'ব। গোচৰটো সেই অনুসৰি স্থানান্তৰিত হৈ থাকে আৰু সেই আদালতৰ পৰাই আৰম্ভ কৰা হয়। দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশগৰাকীয়ে বিদ্বান ন্যায়াধীশক শুনানিৰ বাবে নিযুক্ত কৰিব।

এচ.আৰ.

আবেদনৰ অনুমতি।

..........................................................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”

..................